**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

## ***Headlines***

১। ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে নিজকে প্ৰতিষ্ঠান কৰাৰ বাবে ভাৰত সম্প্ৰতি পৰিৱৰ্তনৰ মাজেৰে অগ্ৰসৰ হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে প্ৰকাশ কৰিছে।

২। চৰকাৰে বৰ্তমানৰ কৃষি আৰু নিয়ন্ত্ৰণ আৱশ্যকতা অনুসৰি বীজ বিধেয়কৰ ২০২৫ৰ খচৰা প্ৰস্তুত কৰি উলিয়াইছে।

৩। কেন্দ্ৰই বিত্ত আইন ২০২৫ৰ অধীনত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ বাবে মৰকীয়া বানচ বৃদ্ধি আৰু দৰমহা আয়োগৰ সংশোধনৰ দৰে অৱসৰোত্তৰ সুবিধাসমূহ প্ৰত্যাহাৰ কৰা বুলি সামাজিক মাধ্যম যোগে প্ৰচাৰ হোৱা বাতৰি চৰকাৰে খণ্ডন কৰিছে।

৪। বিহাৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা কাইলৈ অনুষ্ঠিত হ'ব।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি বোটছোৱানা প্ৰবাসী ভাৰতীয়সকলক উদ্দেশ্যি ভাষণ দিয়ে। ৰাষ্ট্ৰপতিয়ে অলপতে দিল্লীত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত এই আক্ৰমণত নিহত লোকসকলৰ আত্মাৰ সদগতি কামনা কৰি এক মিনিট মৌনতা অৱলম্বন কৰা হয়। ৰাষ্ট্ৰপতিয়ে প্ৰবাসী ভাৰতীয়সকলক দুয়োখন দেশৰ মাজৰ বন্ধুত্বৰ জীৱন্ত সেতু বুলি অভিহিত কৰে আৰু বোটছোৱানাত বাস কৰা ভাৰতীয় মূলৰ ১০ হাজাৰ লোকৰ  দেশখনৰ অৰ্থনৈতিক বিকাশ আৰু কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ ভূয়সী প্ৰসংশা কৰে। তেওঁলোকে নিজৰ কঠোৰ পৰিশ্ৰমৰ বলত বোটছোৱানাৰ সমাজৰ সন্মানজনক স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে দেশখনত ভাৰতৰ গৌৰবোজ্জল প্ৰতিনিধি হোৱাৰ বাবে তেওঁলোকক অভিনন্দন জনায়। তেওঁ কয়, যে ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে নিজকে প্ৰতিষ্ঠান কৰাৰ বাবে ভাৰত সম্প্ৰতি পৰিৱৰ্তনৰ মাজেৰে অগ্ৰসৰ হৈছে আৰু প্ৰবাসী ভাৰতীয়সকলো এই বিকাশ যাত্ৰাৰ অবিচ্ছেদ্য অংগ। তেওঁ কয়, যে তেওঁলোকৰ সাফল্য ভাৰতৰ বাবে গৌৰৱৰ বিষয় আৰু তেওঁলোকৰ সফলতাই ভাৰতৰ মৰ্যাদা বৃদ্ধি কৰে। তেওঁ লগতে ভাৰত বোটছোৱানা সম্পৰ্কৰ ক্ষেত্ৰত অৱদান আগবঢ়াই যাবলৈ ভাৰতীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৯ নৱেম্বৰত তামিলনাডুৰ কইম্বাতুৰলৈ যাব। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে তামিলনাডুৰ কৃষক সংস্থাসমূহে আয়োজন কৰা দক্ষিণ ভাৰত প্ৰাকৃতিক শীৰ্ষ সন্মিলনত ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে লগতে জৈৱিক কৃষিত বিশেষ দক্ষতা থকা দাক্ষিণাত্যত বিভিন্ন ৰাজ্যৰ ৫০গৰাকী বিজ্ঞানীৰ সৈতে মত বিনিময় কৰিব। শীৰ্ষ সন্মিলনত প্ৰাকৃতিক খেতি প্ৰসাৰৰ বাবে নীতি-নিয়ম প্ৰস্তুত কৰা হ'ব। শীৰ্ষ সন্মিলনত আয়োজক সমিতিৰ সমন্বয়ক পি আৰ পাণ্ডিয়নে কয় যে ইয়াৰ জৰিয়তে সজাগতা বৃদ্ধি পাব আৰু প্ৰাকৃতিক তথা পুনৰুজ্জীৱিকৰণ কৃষি পদ্ধতি আঁকোৱালি লবলৈ উৎসাহিত কৰা হ'ব। তেওঁ কয় যে আৰ্থিক দিশৰ পৰা বিকাশক্ষম আৰু সামাজিক দিশৰ পৰা সৰ্বাত্মক কৃষিব্যৱস্থাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জনসাধাৰণৰ দ্বাৰা পৰিচালিত বিপ্লৱৰ সূচনা কৰাই এই শীৰ্ষ সন্মিলনৰ মূল উদ্দেশ্য। সন্মিলনৰ লগত সংগতি ৰাখি এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীত প্ৰায় ৩০০খন বিপণী থাকিব আৰু ইয়াৰ সৈতে সংগতি ৰাখি আগশাৰীৰ বিজ্ঞানী আৰু নীতি প্ৰণেতাৰ বিশেষ সত্ৰৰ আয়োজন কৰা হ'ব। এই সত্ৰসমূহত যুৱ প্ৰজন্ম আৰু মহিলাৰ অংশগ্ৰহণত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ভাৰতীয় প্ৰাকৃতিক কৃষি ধান আৰু পৰম্পৰাগত কৃষি বিকাশ যোজনাৰ দৰে ৰাষ্ট্ৰীয় উদ্যমসমূহে এই অনুষ্ঠানৰ আঁত ধৰিছে।

০০০০০০০

চৰকাৰে বৰ্তমানৰ কৃষি আৰু নিয়ন্ত্ৰণ আৰশ্যকতা অনুসৰি বীজ বিধেয়কৰ ২০২৫ৰ খচবা প্ৰস্তুত কৰি উলিয়াইছে। প্ৰস্তাৱিত বিধায়কখনে বীজ আইন ১৯৬৬ আৰু বীজ নিয়ন্ত্ৰণ নিৰ্দেশ ১৯৮৩ৰ ঠাই ল'ব বুলি কৃষি আৰু কৃষককল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে নতুন বিধায়কখনৰ জৰিয়তে কৃষসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে বীজ যোগান শৃংখলাৰ স্বচ্ছতা আৰু উত্তৰ দায়িত্ব সুনিশ্চিত কৰিব বিচৰা গৈছে বুলি জানিবলৈ দিছে। বিধায়কখনৰ জৰিয়তে বীজৰ মান নিয়ন্ত্ৰণৰ লগতে কৃষকলে যাতে বহন সাধ্য দৰত উচ্চমানৰ বীজ লাভ কৰে সেয়া সুনিশ্চিত কৰিব বিচৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে অহা ১১ ডিচেম্বৰলৈক খচৰা বিধেয়ক সন্দৰ্ভত মতামত আৰু দেহা দিহা পৰামৰ্শ আগবঢ়াবলৈ সংশ্লিষ্ট পক্ষ আৰু জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০

বিশ্ব স্বাস্থ্য সংস্থা WHO আজি নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত মহামাৰীৰ প্ৰস্তুতি আৰু জৰুৰীকালীন পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে নিজৰ ৱেবছাইটৰ শুভাৰম্ভ কৰে। জন স্বাস্থ্য সম্পৰ্কীয় বিষয়ত সময়মতে সঁহাৰি জনোৱাৰ বাবে মহমাৰীৰ দ্ৰুত অধ্যয়নৰ উদ্দেশ্যে সমগ্ৰ বিশ্বত এনে ধৰণৰ ৱেবচাইটত নেটৱৰ্ক স্থাপন কৰা হৈছে বুলি বশ্ব স্বাস্থ্য সন্থাই প্ৰকাশ কৰিছে। উদ্বোধনী অনুষ্ঠানত ভাৰতত বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰতিনিধি বেডেন আৰু অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ সঞ্চলক ডাঃ এম শ্ৰীনিবাস উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰই বিত্ত আইন ২০২৫ৰ অধীনত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ বাবে মৰকীয়া বানচ বৃদ্ধি আৰু দৰমহা আয়োগৰ সংশোধনৰ দৰে অৱসৰোত্তৰ সুবিধাসমূহ প্ৰত্যাহাৰ কৰা বুলি সামাজিক মাধ্যম যোগে প্ৰচাৰ হোৱা বাতৰি চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেছন ব্যুৰো তথ্য পৰীক্ষণ গোটে এই বাতৰি ভুৱা বুলি অভিহিত কৰিছে। প্ৰেছ ইনফৰমেছন ব্যুৰোই অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ বাবে চৰকাৰে তেনে কোনো পৰিৱৰ্তনৰ ঘোষণা কৰা নাই বুলি স্পষ্ট

কৰি দিছে। চৰকাৰে জনসাধাৰণক এনে ধৰণৰ ভুৱা বাতৰিত ভোল নাযাবলৈ আৰু এনে বাতৰি বিশ্বাস তথা প্ৰচাৰ কৰাৰ পূৰ্বে ভালদৰে পৰীক্ষা কৰি চাবলৈ আহ্বান জনাইছে।

০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী পীযুষ গোৱেলে কানাডাৰ আন্তৰ্জাতিক বাণিজ্য মন্ত্ৰী মনিন্দৰ সিদ্ধুৰ সৈতে এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে মন্ত্ৰী শ্ৰী গোৱেলে জানিবলৈ দিয়ে যে, এই বৈঠকত দুয়োজন মন্ত্ৰীয়ে ভাৰত আৰু কানাডাৰ মাজত হ'বলগীয়া সপ্তম বিভাগীয় স্তৰৰ আলোচনাত অন্তৰ্ভুক্ত কৰিবলগীয়া বাণিজ্য আৰু বিনিয়োগ ব্যৱস্থাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনাত মিলিত হয়। তেওঁ লগতে জানিবলৈ দিয়ে যে, দুয়ো পক্ষই কানাডা আৰু ভাৰতৰ মাজত হ'ব পৰা দ্বিপাক্ষীক বাণিজ্য, বিনিয়োগৰ প্ৰচাৰ তথা দুয়োখন দেশৰ মাজৰ সহযোগিতা সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

বিহাৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা কাইলৈ অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ ৩৮ খন জিলাৰ ৪৬টা কেন্দ্ৰত কাইলৈ পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব। ৰাজ্যখনৰ ২৪৩ টা বিধানসভা সমষ্টিৰ বাবে দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল। যিকোনো এটা দলে নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা অৰ্জনৰ বাবে ১২২ খন আসন দখল কৰিব লাগিব। ইতিমধ্যে দুহেজাৰ ৬১৬গৰাকী প্ৰাৰ্থীৰ ভাগ্য বন্দী হৈ থকা ই ভি এমসমূহ ষ্ট্ৰং ৰূমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। বিহাৰৰ মুখ্য নিৰ্বাচনী বিষয়া বিনোদ সিং গুঞ্জিয়ালে আকাশবাণীৰ সংবাদদাতাক জনোৱা মতে ভোটগ্ৰহণত ব্যৱহাৰ কৰা ই ভি এম আৰু ভিভিপেটসমূহ ষ্ট্ৰং ৰূমত তিনি তৰপীয়া সুৰক্ষা ব্যৱস্থাৰ মাজত ৰখা হৈছে। ভোটগণনা কেন্দ্ৰসমূহত যাৱতীয় সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে আৰু সেই স্থানসমূহত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু আৰক্ষী বাহিনী নিয়োগ কৰা হৈছে বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

আফগানিস্তানৰ বিদেশ মন্ত্ৰী আমিৰখান মুট্টাকিয়ে পাকিস্তানৰ বিৰুদ্ধে বিমান উৰণৰ নিয়ম মানি নচলা তথা ইস্তানবুলৰ সৈতে অলপতে হৈ যোৱা দ্বিপাক্ষীয় আলোচনাত কিছুমান অবাস্তৱ দাবী তোলা বুলি অভিযোগ উত্থাপন কৰিছে। মন্ত্ৰীজনে আজি প্ৰদান কৰা এটা ভাষণত স্পষ্টভাৱে জানিবলৈ দিয়ে যে, যদিহে দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ প্ৰতি কোনো ধৰণৰ প্ৰশ্ন আহি পৰে তেন্তে আফগানিস্তানে ইয়াৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। আফগানিস্তানৰ মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে আগৰে পৰাই পাকিস্তানৰ উদ্যোগত বহুতো সন্ত্ৰাসবাদী সংগঠনে ইতিমধ্যে প্ৰশিক্ষণ লৈ আহিছে। মুট্টাকিয়ে পাকিস্তানৰ প্ৰৰোচনাতে আফগানিস্তানৰ আভ্যন্তৰীণ অস্থিৰতা, অৰ্থনৈতিক অচলাৱস্থা আৰু ৰাজনৈতিক বিশৃংখলতা বৃদ্ধি হৈছে বুলিও দেশখনক দোষাৰোপ কৰে।

০০০০০০০

পাকিস্তানৰ কৰ্তৃপক্ষই বেলুচিছস্তানৰ কেইবাখনো জিলাকে ধৰি **কুৱেটা** আৰু **ছমনত** তিনি দিনৰ বাবে ইণ্টাৰনেট সেৱা বন্ধ কৰিছে। দেশখনৰ কৰ্তৃপক্ষই লোৱা এই পদক্ষেপে এই অঞ্চলসমূহৰ মাজৰ যোগাযোগ বিচ্ছিন্ন কৰাৰ লগতে বিভিন্ন বাণিজ্যিক কাৰ্য আৰু বেলুচিছস্তানৰ বাসিন্দাসকলৰ দৈনিক জীৱন শৈলীৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। তেওঁলোকে জানিবলৈ দিছে যে, সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে ইণ্টাৰনেট সেৱাসমূহ বন্ধ কৰা হৈছে বুলি জানিবলৈ দিয়া হৈছে। এই সেৱা বন্ধ হোৱাৰ ফলত অনলাইন ব্যৱস্থাৰে বাণিজ্য কৰা ব্যক্তিসকলৰ লগতে নিজাববীয়াকৈ কাম কৰা লোকসকলে জীয়াতু ভুগিবলগীয়া হৈছে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব। শৃংখলাটোত দুয়োটা দলৰ মাজত দুখন খেল খেলোৱা হ'ব। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলা জয় কৰাৰ পাছত শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটোৱে টেম্বা বাভুমা নেতৃত্বাধীন দক্ষিণ আফ্ৰিকা দলটোৰ বিৰুদ্ধেও জয়ৰ ধাৰা অব্যাহত ৰখাৰ প্ৰয়াস কৰিব। এই শৃংখলাটো বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ চলিত চিজনৰ বাবেও গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে। চলিত ২০২৫-২৭ চিজনত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা ২-২ ফলাফলেৰে সমাপ্ত কৰাৰ বিপৰীতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলা ২-০ ফলাফলত হস্তগত কৰিছিল। বৰ্তমানৰ বিশ্ব চেম্পিয়ন দক্ষিণ আফ্ৰিকাই বিগত মাহত পাকিস্তানৰ বিৰুদ্ধে অংশ লোৱা শৃংখলাটো ১-১ ফলাফলত অমীমাংসিতভাৱে সমাপ্ত হৈছিল। ভাৰতীয় দলটোৰ সহ প্ৰশিক্ষক ৰায়ান টেন দছেটে পৰৱৰ্তী বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত উপনীত হোৱাৰ দিশৰ পৰা ভাৰতীয় দলৰ বাবে কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া শৃংখলাটো অতি গুৰুত্বপূৰ্ণ হিচাপে অভিহিত কৰিছে। শৃংখলাৰ দ্বিতীয়খন খেল ২২ৰ পৰা ২৬ নৱেম্বৰলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত